*Total number of printed pages–4*

**3 (Sem 6) ASML**

**2014**

# ELECTIVE ASSAMESE

**Paper : II 604**

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। চমু উত্তৰ দিয়া। ১×১০=১০

(ক) অসমীয়া চুটিগল্পৰ জনক কোন?

(খ) অসমীয়া চুটিগল্প প্ৰকাশ হোৱা প্ৰথম আলোচনীখনৰ নাম কি?

(গ) চুটিগল্পৰ আৰম্ভণি কেনে হোৱা উচিত?

(ঘ) চুটিগল্পৰ সামৰণিত কি গুণ থাকিব লাগে?

(ঙ) 'আৱাহন যুগ'ৰ এগৰাকী গল্পকাৰৰ নাম লিখা।

(চ) গল্পকাৰ শীলভদ্ৰৰ প্ৰকৃত নাম কি?

(ছ) কোনখন গল্পপুথিৰ বাবে অতুলানন্দ গোস্বামীয়ে ২০০৬ চনত সাহিত্য অকাডেমি বঁটা লাভ কৰিছিল?

*Contd.*

(জ) মামনি ৰয়ছম গোস্বামীৰ এখন গল্পপুথিৰ নাম লিখা।

(ঝ) অসমীয়া চুটিগল্পৰ এটি বৈশিষ্ট্যৰ নাম লিখা।

(ঞ) কোনখন আলোচনীৰ জৰিয়তে অসমীয়া চুটিগল্পত প্ৰথমবাৰৰ কবে প্ৰগতিশীল চিন্তাধাৰা প্ৰকাশ পাইছিল?

২। নাম উল্লেখ কৰা (চমুকৈ)। ২×৫=১০

(ক) নদৰাম যুদ্ধলৈ যোৱা দুখন দেশৰ নাম লিখা।

(খ) শৰৎচন্দ্ৰ গোস্বামীৰ দুখন গল্প পুথিৰ নাম লিখা।

(গ) 'মাকনৰ গোসাঁই' গল্পটিৰ গোসাঁই দুজনৰ নাম *দুটা* কি কি?

(ঘ) 'মাকনৰ গোসাঁই' গল্পটিৰ *যিকোনো দুটা* বৈশিষ্ট্য উল্লেখ কৰাঁ।

(ঙ) বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ গল্পত প্ৰভাৱ পৰা দেশী-বিদেশী *দুজন* গল্পকাৰৰ নাম উল্লেখ কৰাঁ।

৩। *যিকোনো চাৰিটা* প্ৰশ্নৰ উত্তৰ লিখাঁ। ৫×৪=২০

(ক) 'কৰিষা' নামৰ গল্পটিৰ মাজেৰে গল্পকাৰে কি ক'ব বিচাৰিছে, গল্পটিৰ আধাৰত আলোচনা কৰাঁ।

(খ) তোমাৰ পাঠ্যক্ৰমত থকা ভবেন্দ্ৰ নাথ শইকীয়াৰ গল্পটিৰ নাম গল্পকাৰে কিয় 'কৰিষা' ৰাখিলে তাৰ তাৎপৰ্য ব্যাখ্যা কৰাঁ।

(গ) 'কৰিযা' গল্পটিত প্ৰকাশ পোৱা সমাজৰ বাস্তৱ ছবিখন তোমাৰ ভাষাত দাঙি ধৰাঁ।

(ঘ) শীলভদ্ৰৰ 'মধুপূৰ বহুদূৰ' গল্পটিৰ প্ৰকাশভংগী বিচাৰ কৰাঁ।

(ঙ) শীলভদ্ৰৰ গল্প সাহিত্যৰ চমু পৰিচয় দাঙি ধৰি অসমীয়া গল্প সাহিত্যত তেওঁৰ স্থান নিৰূপণ কৰাঁ।

(চ) শীলভদ্ৰ আৰু ভবেন্দ্ৰ নাথ শইকীয়াৰ গল্পৰ এটি চমু তুলনামূলক আলোচনা আগবঢ়োৱা।

৪। (ক) অসমীয়া চুটিগল্পৰ উদ্ভৱ আৰু বিকাশ সম্পৰ্কে একটি আলোচনা আগবঢ়োৱা। ১০

অথবা

(খ) যুদ্ধোত্তৰ বা 'ৰামধেনু যুগ'ৰ চুটিগল্পৰ পটভূমি সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰাঁ।

৫। (ক) "চৰিত্ৰৰ মাজেদি লেখক গৰাকীৰ বক্তব্য প্ৰকাশ পালেও ভট্টাচাৰ্যৰ গল্পৰ চৰিত্ৰবোৰ লেখকৰ বক্তব্য প্ৰকাশৰ বাহক হৈ উঠা নাই।' — বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ 'মাকনৰ গোসাঁই' গল্পৰ আলমত বিচাৰ কৰাঁ। ১০

অথবা

(খ) চুটিগল্প হিচাপে শৰৎচন্দ্ৰ গোস্বামীৰ 'নদৰাম' গল্পটিৰ মূল্যায়ন কৰা।

৬। (ক) ‘দ্বিতীয় মহাসমৰে অসমৰ ৰাজনৈতিক আৰু নৈতিক জীৱনত যি উখল-মাখলৰ সৃষ্টি কৰিছিল তাৰ প্ৰতিক্ৰিয়া কেৱল মাত্ৰ এই উপন্যাসতেই (‘ডাৱৰ আৰু নাই’) স্পষ্টৰূপত পোৱা যায় বুলি ক’লে বৰ ভুল নহ’ব।’ (ড° সত্যেন্দ্ৰ নাথ শৰ্মা) ‘ডাৱৰ আৰু নাই’ উপন্যাসখনত উক্ত মন্তব্য কিমান দূৰ খাপ খাই পৰিছে বিচাৰ কৰাঁ। ১০

অথবা

(খ) দ্বিতীয় মহাযুদ্ধৰ প্ৰভাৱত অসমৰ সমাজজীৱনত ঘটা পৰিবৰ্তন সমূহৰ চিত্ৰ চিত্ৰণত ‘ডাৱৰ আৰু নাই’ উপন্যাসখনৰ ঔপন্যাসিক কিমান দূৰ সফল হৈছে আলোচনা কৰাঁ।

৭। (ক) ‘যুদ্ধখনে এক বিৰাট আলোড়ন তুলি মানৱ-জাতিৰ মাজলৈ বিপুল পৰিবৰ্তন আনি দিলে।’ — ‘ডাৱৰ আৰু নাই’ উপন্যাসৰ অনুপমা আৰু গৌৰী চৰিত্ৰৰ আধাৰত আলোচনা কৰাঁ। ১০

অথবা

(খ) ‘ডাৱৰ আৰু নাই’ উপন্যাসখনিত সামাজিক আৰু ব্যক্তি কেন্দ্ৰিক সমস্যা ৰূপায়ণত ঔপন্যাসিক কিমান দূৰ সফল হৈছে আলোচনা কৰাঁ।

---